# পাঠ - ৩
# পানী

ফাকুৱাৰ বন্ধত গুৱাহাটীত থকা মোমায়েকৰ ঘৰৰ পৰা উভতি আহি জয়শ্ৰীয়ে মাকক তাত পোৱা আদৰ যত্নৰ কথা কৈ আছিল। মোমায়েকে চিৰিয়াখানা, কলাক্ষেত্ৰ , তাৰকাগৃহ আদিলৈ তাইক লৈ গৈছিল। কিন্তু জয়শ্ৰীয়ে এটা কথাতহে বৰ দিগ্‌দাৰি পাইছিল, মোমায়েকৰ ঘৰত পানীৰ অভাৱ, কাৰণ কুঁৱাটোত পানী কমি আছিল। তাই মাকক সুধিলে কুঁৱাৰ পানীবোৰনো ক'ৰ পৰা আহে?


➤ তোমালোকে জনা কিছুমান পানীৰ উৎসৰ নাম লিখা।

........................................................................................................................................

........................................................................................................................................


আমাৰ পৃথিৱীৰ চাৰিভাগৰ প্ৰায় তিনি ভাগেই পানীয়ে আগুৰি আছে। পৃথিৱীত পোৱা প্ৰায় সকলোখিনি পানীয়েই সাগৰ, মহাসাগৰ, নদী, হ্ৰদ, জান-জুৰি, পুখুৰী, ভূ-গৰ্ভ আদিত থাকে। ইয়াৰ উপৰি ওখ পৰ্বতৰ শীতল অঞ্চলতো পানী বৰফ হিচাপে থাকে।

খাল-বিল, নদ-নদী, জান-জুৰি, সাগৰ-মহাসাগৰ, হ্ৰদ আদি হৈছে ভূ-পৃষ্ঠত থকা পানীৰ উৎস। এই উৎসবোৰৰ পৰাই আমি পানী পাওঁ।



**পানী প্ৰকৃতিৰ অমূল্য সম্পদ। পানী নোহোৱাকৈ আমি জীয়াই থাকিব নোৱাৰোঁ।**

দমকল, কুঁৱা আদিৰ পৰাও আমি পানী পাঁও। এই পানীসমূহ বাৰু ক'ত থাকে? এই পানী ভূ-গৰ্ভত সঞ্চিত হৈ থাকে।






কৰি চাওঁ আহা-

এচপৰা শুকান মাটি লৈ তাত পানী ঢালি দিয়া। কি দেখিলা?

..........................................................................................................

..........................................................................................................

শুকান মাটিৰ চপৰাৰ মাজেৰে পানীখিনি সোমাই গ'ল। সেইদৰে বৰষুণৰ পানীৰ কিছু অংশ মাটিৰ তললৈ সোমাই যায়। একেদৰেই অইন উৎসৰ পৰাও যেনে- নৈ, পুখুৰী আদিৰ পানী নিগৰি মাটিৰ তললৈ সোমাই যায় আৰু মাটিৰ তলৰ গভীৰতাত থকা শিলাস্তৰৰ খালী ঠাই বা ফাঁকসমূহৰ মাজত পানী সঞ্চিত হৈ থাকে। এই পানীভাগৰ নামেই **ভূগৰ্ভস্থ পানী** বা **ভূ-জল**।






জলাশয়

পুখুৰী, পিতনি, বিল, হ্ৰদ, সাগৰ, মহাসাগৰ আদি পানীৰে পূৰ্ণ দ' ঠাইবোৰেই জলাশয়। জলাশয়বোৰ স্থায়ী বা অস্থায়ী হ'ব পাৰে। এইবোৰে বহু পানী ধৰি ৰাখিব পাৰে।

➤ তোমালোকৰ বহুতৰেই ঘৰত টেপ খুলিলে পানী পোৱা। এই পানীবোৰৰ উৎস কি?

.....................................................................................................

নদী, হ্ৰদ, পুখুৰী, কুঁৱা, দমকল আদিৰ পানী পাম্পৰ সহায়ত উঠাই টেংকিত জমা কৰি থয়। এই পানী নলীৰ মাজেৰে নি বিভিন্ন কামত ব্যৱহাৰ কৰা হয়। নলীৰ মুখত টেপ বা কল লগোৱা থাকে। এই টেপ খুলিলেই পানী পোৱা যায়। এনে উৎসৰ পৰা পোৱা পানী শোধন কৰিও ল'ব পৰা যায়। সাগৰৰ পানী ভূ-পৃষ্ঠৰ পানী। কিন্তু লুণীয়া হোৱা বাবে ইয়াক পোনে পোনে ব্যৱহাৰ কৰিব নোৱাৰি।




ক্ৰিয়া-কলাপ

তোমালোকৰ চুবুৰীত তিনিঘৰ মানুহে ব্যৱহাৰ কৰা পানীৰ উৎস জানি লোৱা। এতিয়া তলৰ তালিকাত কোনঘৰ মানুহে পানী কোন উৎসৰ পৰা পায় তাত '✓' চিন দিয়া-

| ঘৰৰ ক্ৰমিক নং | কুঁৱা | দমকল | পুখুৰী | খাল | বিল | নদী | অন্যান্য |
|---|---|---|---|---|---|---|---|
| ১ | | | | | | | |
| ২ | | | | | | | |
| ৩ | | | | | | | |

ভূ-গৰ্ভৰ পানী ঘৰুৱা কামত ব্যৱহাৰ কৰাৰ উপৰি উদ্যোগ, জলসিঞ্চন আদি বিভিন্ন কামত ব্যৱহাৰ কৰা হয়। সময়ে সময়ে ভূ-জল বা বিভিন্ন উৎসৰ পানীৰ পৰিমাণ কম-বেছি হৈ থাকে।







**বিভিন্ন কামত পানীৰ ব্যৱহাৰ**

চিন্তা কৰি লিখা-

ভূগৰ্ভৰ পানী শুকাই গ'লে আমাৰ কি কি অসুবিধা হ'ব পাৰে?

উৎসসমূহৰ পৰা পানী ব্যৱহাৰ কৰি থকাৰ পিচতো পানী আকৌ তাত কেনেদৰে পূৰ্ণ হয় তাক চাওঁ আহা-





**জলচক্ৰ**

কেতিয়াবা এই পানীৰ কণিকাবোৰ আৰু অধিক ঠাণ্ডা বায়ুৰ মাজেৰে যায়, তেতিয়া ই বৰফ আৰু শিল-বৰষুণ হিচাপে পৃথিৱীত পৰে। ইয়াৰ ফলত খাল, বিল, নদী, পুখুৰী, হ্ৰদ আদি পুনৰ পানীৰে ভৰি পৰে। কিছু পানী ভূ-গৰ্ভলৈও যায়। এইদৰে পানীৰ চক্ৰটো চলি থাকে। এয়াই হৈছে **জলচক্ৰ**।

**কৰি চাওঁ আহা-**

এমগ পানী লৈ বিদ্যালয়ৰ পকী বাৰাণ্ডাত ঢালি দিয়া। সমান পৰিমাণৰ পানী বিদ্যালয়ৰ সন্মুখৰ মাটিখিনিতো ঢালি দিয়া। দুয়োটা অংশত পানীখিনিৰ কি হ'ল?





বিভিন্ন নিৰ্মাণ কাৰ্য, পকী বাট-পথ আদিৰ কাৰণে কিছুমান ঠাইত মাটিৰ অভাৱ হোৱা দেখা যায়। সেয়ে এনেবোৰ ঠাইত বৰষুণৰ পানী মাটিলৈ সহজে সোমাই যাব নোৱাৰে।

উদ্ভিদৰ শিপাই বৰষুণৰ পানী নিগৰি মাটিত সোমোৱাত সহায় কৰে। বিভিন্ন কাৰণত গছ-গছনিৰ সংখ্যা কমি অহাৰ বাবে বৰষুণৰ পানী ভূ-গৰ্ভত সোমাই যোৱাত বাধাৰ সৃষ্টি হৈছে। খৰালি কালত বৰষুণ একেবাৰে কম হোৱাৰ বাবে ভূ-পৃষ্ঠৰ পানীৰ লগতে ভূ-গৰ্ভৰো পানীৰ পৰিমাণ কমি যায়।

➢ এতিয়া তোমালোকে কব পাৰিবানে জয়শ্ৰীৰ মোমায়েকৰ ঘৰত কিয় পানীৰ অভাৱ হৈছিল?

**ভূ-গৰ্ভৰ পানীৰ পৰিমাণ একে ৰাখিবলৈ কিছুমান ব্যৱস্থাৰ বিষয়ে জানি লওঁ আহা-**

- পানীৰ পৰিমিত ব্যৱহাৰ



- গছ-গছনি ৰোপণ



- বৰষুণৰ পানী সংৰক্ষণ কৰি ভূ-গৰ্ভলৈ পঠিওৱাৰ ব্যৱস্থা।



- মুকলি পথাৰ, পিতনি আদি সংৰক্ষণ কৰা উচিত।



## অনুশীলনী

১। উত্তৰ লিখা-

(ক) পানীৰ উৎসসমূহ কি কি?

(খ) ভূ-গৰ্ভত পানী নাটনি হ'ব পৰাৰ দুটা কাৰণ উল্লেখ কৰা।

(গ) বতাহত ভাঁহি থকা ক্ষুদ্ৰ ক্ষুদ্ৰ পানীৰ কণিকাবোৰক কি বুলি কোৱা হয়?

(ঘ) কুঁৱাৰ পানীৰ উৎস কি?

(ঙ) নৈ, হ্ৰদ, সাগৰ, জান-জুবিৰ পানীক কিহে ভাপলৈ পৰিৱৰ্তন কৰে?

২। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া-

(ক) পুখুৰীৰ পানী হৈছে (ভূ-পৃষ্ঠৰ / ভূগৰ্ভৰ) পানী।

(খ) বৰষুণৰ পানী মাটিৰে (নিগৰি / দমকলেৰে) ভূ-গৰ্ভ পায়।

(গ) (পকী ঠাইৰে / মাটিৰে) পানী সহজে নিগৰি ভূ-গৰ্ভলৈ যাব পাৰে।

(ঘ) শিল বৰষুণত (শিল / বৰফ) থাকে।

৩। খালী ঠাই পূৰণ কৰা-

(ক) দমকলৰ পানীৰ উৎস হৈছে ________।

(খ) পৰ্বতৰ শীতল অঞ্চলত পানী ________ হিচাপে থাকে।

(গ) সাগৰৰ পানী ________।

৪। ভূ-গৰ্ভৰ পানীৰ পৰিমাণ একে ৰাখিবলৈ ল'ব পৰা দুটা ব্যৱস্থা উল্লেখ কৰা।

৫। সাগৰৰ পানী কিয় পোনপটীয়াকৈ ব্যৱহাৰ কৰিব নোৱাৰি?

৬। ভূ-গৰ্ভৰ পানী কি কি কামত ব্যৱহাৰ কৰা হয়?

৭। শিল বৰষুণ আৰু বৰষুণৰ মাজৰ পাৰ্থক্য লিখা।

৮। জলচক্ৰৰ ছবি এখন আঁকি ৰং কৰা।

♣ ♣ ♣ ♣ ♣